Total No. of Printed Pages—7

**6 SEM TDC DSE ASM (CBCS)**
**2 (H) (A/B/C/D/E)**

**2024**

( May )

ASSAMESE

( Discipline Specific Elective )

( For Honours )

Paper : DSE-2

**[ Special Author : (A) Bhupen Hazarika**
**(B) Bhabendra Nath Saikia**
**(C) Birendra Kr. Bhattacharya**
**(D) Mamoni Raisom Goswami**
**(E) Nirupoma Borgohain ]**

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**(A)**

**( বিশেষ লেখক : ভূপেন হাজৰিকা )**

১। ভূপেন হাজৰিকাৰ জীৱন আৰু কৃতি সম্পৰ্কে এটি পৰিচয়মূলক টোকা প্ৰস্তুত কৰা। ৮+৮=১৬

২। যি কোনো চাৰিটাৰ উত্তৰ কৰিবাঁ : ১৬×৪=৬৪

(ক) ভূপেন হাজৰিকাৰ গীতত সম্প্ৰীতিৰ চিত্ৰ কেনেকৈ ফুটি উঠিছে, উদাহৰণসহ আলোচনা কৰাঁ।

(খ) "তেওঁৰ বিচৰণ-ক্ষেত্ৰ বহু বিস্তৃত আৰু বহু বিচিত্ৰ।" ভূপেন হাজৰিকাৰ জীৱনৰ আধাৰত কথাষাৰ ব্যাখ্যা কৰাঁ।

(গ) 'অসমৰ সংগীত জগতলৈ ভূপেন হাজৰিকাৰ অৱদান'—শীৰ্ষক এটি নিবন্ধ লিখাঁ।

(ঘ) 'ভূপেন হাজৰিকাৰ গীতত মানৱতাবাদ'—এই সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

(ঙ) অসমীয়া চলচ্চিত্ৰ জগতলৈ ভূপেন হাজৰিকাই আগবঢ়োৱা বৰঙণি সম্পৰ্কে এটি টোকা লিখাঁ।

(চ) "মনোৰম গদ্য সাহিত্যৰো এগৰাকী কৃতবিদ্য সাহিত্যিকৰূপে তেওঁৰ এক সুকীয়া পৰিচয় আছে।" কথাষাৰ বিচাৰ কৰাঁ।

(ছ) ভূপেন হাজৰিকাৰ চিন্তামূলক প্ৰবন্ধসমূহৰ এটি পৰিচয় আগবঢ়োৱাঁ।





(B)

( বিশেষ লেখক : ভবেন্দ্ৰনাথ শইকীয়া )

১। ভবেন্দ্ৰনাথ শইকীয়াৰ সাহিত্যকৰ্মৰ এক সামগ্ৰিক খতিয়ান আগবঢ়োৱাঁ। ১৬

২। যি কোনো চাৰিটাৰ উত্তৰ কৰিবাঁ : ১৬×৪=৬৪

(ক) 'অন্তৰীপ' উপন্যাসৰ মূল নাৰী চৰিত্ৰটো বিশ্লেষণ কৰাঁ।

(খ) চলচ্চিত্ৰকাৰ হিচাপে ভবেন্দ্ৰনাথ শইকীয়াৰ কৰ্মৰাজিৰ এটি আভাস দিয়াঁ।

(গ) 'ৰম্যভূমি' উপন্যাসৰ বিষয়বস্তুৰ পৰিচয় দি উপন্যাস হিচাপে ইয়াৰ মূল্য নিৰূপণ কৰাঁ।

(ঘ) 'অসমীয়া নাট্যজগতলৈ ভবেন্দ্ৰনাথ শইকীয়াৰ অৱদান' শীৰ্ষক এটি নিবন্ধ লিখাঁ।

(ঙ) 'শৃংখল' গল্পপুথিৰ আধাৰত ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ কলা-কৌশল সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

(চ) শিশু-সাহিত্যৰ ক্ষেত্ৰলৈ ভবেন্দ্ৰনাথ শইকীয়াই আগবঢ়োৱা বৰঙণি সম্পৰ্কে এটি টোকা যুগুত কৰাঁ।

(ছ) সংবাদকৰ্মীৰূপে ভবেন্দ্ৰনাথ শইকীয়াৰ বিশিষ্টতা নিৰূপণ কৰি এটি প্ৰবন্ধ লিখাঁ।

## (C)

### ( বিশেষ লেখক : বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য )

১। বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ জীৱন আৰু কৰ্ম সম্পৰ্কে এটি পৰিচয়মূলক আলোচনা আগবঢ়োৱাঁ। ৮+৮=১৬

২। যি কোনো চাৰিটাৰ উত্তৰ কৰিবাঁ : ১৬×৪=৬৪

(ক) অসমীয়া উপন্যাস-সাহিত্যত বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ স্থান নিৰ্ণয় কৰি এটি টোকা যুগুত কৰাঁ।

(খ) 'মৃত্যুঞ্জয়' উপন্যাসৰ ধনপুৰ চৰিত্ৰটো বিশ্লেষণ কৰাঁ।

(গ) অসমৰ সংবাদ জগতলৈ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই আগবঢ়োৱা অৱদান সম্পৰ্কে আলোচনা কৰাঁ।

(ঘ) ''বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ সাহিত্য-চৰ্চাৰ মূলতে হ'ল তেওঁৰ অসম দেশ, অসমীয়া ভাষা আৰু জাতিৰ প্ৰতি থকা অকৃত্ৰিম শ্ৰদ্ধা।'' বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ ৰচনাৰাজিৰ আধাৰত কথাষাৰ বিচাৰ কৰাঁ।

(ঙ) 'বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ ভ্ৰমণ-সাহিত্য'—এই শীৰ্ষক এটি প্ৰবন্ধ লিখাঁ।

(চ) 'ৰাজপথে ৰিঙিয়ায়' উপন্যাসৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

(ছ) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ কবিতাৰ এক সামগ্ৰিক মূল্যায়ন আগবঢ়োৱাঁ।





## (D)

### ( বিশেষ লেখক : মামণি ৰয়ছম গোস্বামী )

১। মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু কৃতি সম্পৰ্কে এটি পৰিচয় আগবঢ়োৱাঁ। ৮+৮=১৬

২। যি কোনো চাৰিটাৰ উত্তৰ কৰিবাঁ : ১৬×৪=৬৪

(ক) ''বিশাল অধ্যয়নক্ষেত্ৰ আৰু কৰ্মজীৱনৰ বিস্তৃত বাস্তৱ অভিজ্ঞতা মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ মূল আধাৰ।'' কথাষাৰ বিচাৰ কৰাঁ।

(খ) 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা' উপন্যাসৰ বিষয়বস্তুৰ পৰিচয় দি এক মূল্যায়ন আগবঢ়োৱাঁ।

(গ) 'অহিৰণ আৰু চেনাবৰ সোঁত' উপন্যাসৰ পটভূমি সম্পৰ্কে এটি টোকা লিখাঁ।

(ঘ) মামণি ৰয়ছম গোস্বামীৰ 'আধালিখা দস্তাবেজ'ৰ বিশেষত্বসমূহ আলোচনা কৰাঁ।

(ঙ) ''বিষয়বস্তু আৰু পটভূমিৰ বৈচিত্ৰ্য তেখেতৰ সাহিত্যৰ উল্লেখনীয় দিশ।'' মামণি ৰয়ছম গোস্বামীৰ ৰচনাৰাজিৰ আধাৰত কথাষাৰৰ সত্যতা নিৰূপণ কৰাঁ।

(চ) মামণি ৰয়ছম গোস্বামীৰ ৰচনাত কেনেকৈ মানৱিক চেতনা প্ৰকাশ পাইছে, এই সম্পৰ্কে এটি নিবন্ধ লিখাঁ।

(ছ) চুটিগল্পকাৰ হিচাপে মামণি ৰয়ছম গোস্বামীৰ গল্পৰ বৈশিষ্ট্যসমূহ লিখাঁ।

## (E)

### ( বিশেষ লেখক : নিৰুপমা বৰগোহাঞিঃ )

১। নিৰুপমা বৰগোহাঞিৰ ব্যক্তিত্ব আৰু কৃতিত্ব সম্পৰ্কে এটি পৰিচয় আগবঢ়োৱাঁ। ৮+৮=১৬

২। যি কোনো চাৰিটাৰ উত্তৰ কৰিবাঁ : ১৬×৪=৬৪

(ক) "নিৰুপমাৰ লেখনিসমূহত ফুটি উঠা প্ৰতিবাদ যেন সকলো দলিত, নিষ্পেষিত নাৰীৰ সৰৱ প্ৰতিবাদ।" নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ আধাৰত কথাষাৰ বিচাৰ কৰাঁ।

(খ) 'অন্য জীৱন' উপন্যাসত লেখিকাৰ জীৱনাভিজ্ঞতা কেনেদৰে প্ৰকাশ পাইছে, লিখাঁ।

(গ) 'অভিযাত্ৰী' উপন্যাসৰ মূল নাৰী চৰিত্ৰটো বিশ্লেষণ কৰাঁ।

(ঘ) আত্মজীৱনীৰূপে 'বিশ্বাস আৰু সংশয়ৰ মাজেদি' গ্ৰন্থৰ এক মূল্যায়ন আগবঢ়োৱাঁ।





(ঙ) নিৰুপমা বৰগোহাঞিৰ গদ্যশৈলীৰ বিষয়ে এটি নিবন্ধ যুগুত কৰাঁ।

(চ) 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ' উপন্যাসৰ মূল চৰিত্ৰটো বিশ্লেষণ কৰাঁ।

(ছ) গল্পকাৰৰূপে অসমীয়া সাহিত্যত নিৰুপমা বৰগোহাঞিৰ স্থান নিৰ্ণয় কৰি এটি প্ৰবন্ধ লিখাঁ।

★★★